প্ৰেছ বাৰ্তা নং ঃ ৩০৭/২০২২

# মুখ্যমন্ত্ৰীৰ উপস্থিতিত বিভিন্ন ঔদ্যোগিক ক্ষেত্ৰৰ সৈতে চৰকাৰৰ কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ

## ৰাজ্যৰ বিকাশৰ ধাৰা ত্বৰান্বিত কৰাৰ দিশত আজিৰ দিনটো অত্যন্ত গুৰুত্বপূৰ্ণ ঃ মুখ্যমন্ত্ৰী

## বুজাবুজিৰ চুক্তিসমূহে বহুস্তৰীয় ৰূপান্তৰমূলক উন্নয়নৰ কৌশলগত সহযোগিতা গঢ়ি তোলাৰ দিশত আগুৱাই লৈ যাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৭ অক্টোবৰ** ঃ ৰাজ্যখনত এক বৃহৎ পৰিসৰত বিকাশৰ স্তৰ গঢ়ি তোলাৰ লক্ষ্যৰে গ্ৰহণ কৰা কৰ্মসূচীৰ পদক্ষেপ হিচাপে আজি জনতা ভৱনৰ সভাকক্ষত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ আৰু বিভিন্ন ঔদ্যোগিক ক্ষেত্ৰৰ মাজত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়।

উল্লেখ্য যে চৰকাৰৰ হৈ অসম দক্ষতা বিকাশ অভিযানে মাইক্ৰচফ্‌ট, গুগল ইণ্ডিয়া প্ৰাইভেট লিমিটেড, লাৰ্ছেন এণ্ড টাৰ্ব' লিমিটেড আৰু হেলথ কেয়াৰ চেক্টৰ স্কীল কাউন্সিলৰ সৈতে চুক্তি স্বাক্ষৰিত কৰে। তদুপৰি নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়ে নৌকৰী ডট্ কম্ হিচাপে সুপৰিচিত ইনফ' এজ (ইণ্ডিয়া) প্ৰাইভেট লিমিটেডৰ সৈতে এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰে। আনহাতে অসম পৰ্যটন উন্নয়ন নিগমে ভাৰত চৰকাৰৰ দক্ষতা উন্নয়ন আৰু উদ্যমিতা মন্ত্ৰণালয়, টাটা কমিউনিটি ইনিচিয়েটিভ ট্ৰাষ্টৰ টাটা ষ্ট্ৰাইভ স্কীল ডেভেলপমেণ্ট ইনিচিয়েটিভে ইণ্ডিয়ান হোটেল কোম্পানী লিমিটেডৰ সৈতেও বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। তদুপৰি চাটলুছ জল বিদ্যুৎ নিগমৰ গ্ৰীণ এনাৰ্জি লিমিটেডৰ সৈতে ১ হাজাৰ মেগাৱাট সৌৰশক্তি উৎপাদনৰ বাবে এপিডিচিএলৰ সৈতেও বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়।

মাইক্ৰ'চফটৰ সৈতে হোৱা বুজাবুজিৰ চুক্তিৰ ফলত সমগ্ৰ ৰাজ্যখনতে অসম দক্ষতা বিকাশ কেন্দ্ৰ সমূহৰ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ পথ প্ৰশস্ত কৰিব। মাইক্ৰ'চফটে তেওঁলোকৰ এমডিএছপি (মাইক্ৰ'চফট ডাইভাৰচিটি স্কীলিং প'গ্ৰেম) মডুলৰ জৰিয়তে সেৱা প্ৰদান কৰি যুৱক-যুৱতীসকলৰ কৰ্মশক্তিক অধিক সক্ৰিয় কৰি তুলিব। এই কাৰ্যসূচীৰ জৰিয়তে যুৱক-যুৱতীসকলে ডিজিটেল অৰ্থনীতিৰ জৰিয়তে লাভবান হ'ব পৰাকৈ প্ৰয়োজনীয় দক্ষতা আহৰণ কৰিব পাৰিব।

তদুপৰি গুগল ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ সৈতে হোৱা বুজাবুজিৰ চুক্তিখন নিয়োগ প্ৰত্যাশী যুৱক-যুৱতীসকলক ডিজিটেল আৰু ব্যৱসায়ীক দক্ষতা প্ৰদানৰ দিশত সহায়ক হৈ উঠিব। এই ব্যৱস্থাৰ আটাইতকৈ উল্লেখযোগ্য দিশটো হ'ল গুগল কেৰিয়াৰ চাৰ্টিফিকেট পাঠ্যক্ৰমে সম্ভাব্য নিয়োগ কৰ্তাসকলৰ

জৰিয়তে দক্ষ যুৱক-যুৱতীসকলক অভিৰুচি অনুসৰি চাকৰি লাভৰো সুযোগ প্ৰদান কৰিব।

আনহাতে এল এণ্ড টিৰ সৈতে অসম চৰকাৰৰ স্বাক্ষৰিত বুজাবুজিৰ চুক্তিখনে প্ৰশিক্ষণৰ ব্যৱস্থা স্থাপন কৰাৰ লগতে নিৰ্মাণ খণ্ডৰ অধীনত গ্ৰীণ ফিল্ড প্ৰকল্পৰ দিশত জ্ঞান আৰু সহায় সহযোগিতা আগবঢ়াব। স্বাস্থ্যসেৱা খণ্ড দক্ষতা পৰিষদৰ সৈতে হোৱা বুজাবুজিৰ চুক্তিখনে ৰাজ্যখনৰ নিবনুৱা যুৱক-যুৱতীসকলক দক্ষতা প্ৰদৰ্শনৰ বাবে সংগঠিত কৰি তুলিব। নিবনুৱা যুৱক-যুৱতীসকলক দক্ষতা প্ৰদান কৰাৰ উপৰি প্ৰশিক্ষণ সম্পূৰ্ণ হোৱাৰ এমাহৰ ভিতৰত উদ্যোগীক খণ্ডৰ চাকৰিৰ বাবে নিয়োগৰ ব্যৱস্থা কৰা হ'ব। ইনফ' এজ (ইণ্ডিয়া) প্ৰাইভেট লিমিটেডৰ সৈতে নিয়োগ আৰু কাৰিকৰী সঞ্চালকালয়ৰ সৈতে হোৱা বুজাবুজিৰ চুক্তিখনে নিবনুৱা যুৱক-যুৱতীসকলক ডিজিটেল ক্ষেত্ৰখনত তেওঁলোকৰ প্ৰফাইল আপল'ড কৰি সম্ভাব্য নিয়োগ কৰ্তাসকলক আকৰ্ষণ কৰিব পৰাকৈ এক অনলাইন মঞ্চ প্ৰদান কৰিব।

এপিডিচিএল আৰু এছ জে ভি এন এল গ্ৰীণ এনাৰ্জি লিমিটেড (এ জি ই এল)ৰ মাজত হোৱা বুজাবুজিৰ লক্ষ্য হ'ব ১ হাজাৰ মেগাৱাট শক্তি সম্পন্ন নবীকৰণযোগ্য শক্তি প্ৰকল্প অৰ্থাৎ সৌৰ শক্তি বিকাশ সাধন কৰা। অসম পৰ্যটন উন্নয়ন নিগম আৰু টাটা ষ্ট্ৰাইভ স্কীল ডেভেলপমেণ্ট ইনিচিয়েটিভছ্ আদিৰ মাজত স্বাক্ষৰিত বুজাবুজিৰ চুক্তিখনে ৰাজ্যৰ যুৱক-যুৱতীসকলৰ প্ৰশিক্ষণৰ বাবে এক উৎকৃষ্ট আতিথ্য দক্ষতা কেন্দ্ৰ স্থাপন কৰিব।

এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত আজিৰ দিনটো ৰাজ্যৰ বিকাশৰ ধাৰা ত্বৰান্বিত কৰাৰ দিশত অত্যন্ত গুৰুত্বপূৰ্ণ। এই বুজাবুজিয়ে নবীকৰণযুক্ত শক্তি, দক্ষতা বিকাশ, পৰ্যটন আৰু আতিথ্য উদ্যোগৰ ক্ষেত্ৰত ৰাজ্যৰ সম্ভাৱনাক ব্যৱহাৰৰ সুবিধা প্ৰদান কৰিব। তেওঁ লগতে কয় যে এই বুজাবুজি চুক্তিসমূহে উত্তৰ পূবক দেশৰ বিকাশৰ নতুন ইঞ্জিনলৈ ৰূপান্তৰিত কৰাৰ প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি এখন উন্নত অসমৰ সপোন বাস্তৱায়িত কৰাত সহায় কৰিব। অসম চৰকাৰৰ সৈতে সহযোগিতা কৰাৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা কোম্পানীসমূহক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বুজাবুজিৰ চুক্তি সমূহে অসমৰ বহুস্তৰীয় ৰূপান্তৰ মূলক উন্নয়নৰ বাবে এক কৌশলগত সহযোগিতা গঢ়ি তোলাৰ দিশত আগুৱাই লৈ যাব।

অঞ্চলটোৰ উন্নয়নৰ গতি ক্ষিপ্ৰ কৰাৰ বাবে ৰাজ্যখনক অভিকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত থকা সম্ভাৱনীয়তাক বিবেচনা কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰে বিকাশৰ ধাৰা অধিক ত্বৰান্বিত কৰাৰ উদ্দেশ্যেৰে ৰাজ্যখনৰ বিকাশশীল মানৱ সম্পদৰ দক্ষতা বৃদ্ধিৰ বাবে সম্পূৰ্ণৰূপে দায়বদ্ধ বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে ৰাজ্য চৰকাৰে যুৱক-যুৱতীসকলৰ কৰ্ম সংস্থাপনৰ বাবে সামৰ্থ বিকাশৰ উদ্দেশ্যৰে অসম দক্ষতা বিকাশ অভিযান স্থাপন কৰিছে আৰু ইয়ে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ গতিশীলতাও বৃদ্ধি কৰিছে। এই অভিযানে প্ৰতিবছৰে ১.৫০ লাখ যুৱক-যুৱতীক দক্ষতাসম্পন্ন কৰাৰ পৰিকল্পনা কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে নৱীকৰণযোগ্য শক্তি প্ৰকল্পৰ উন্নয়নৰ লক্ষ্যৰে এপিডিচিএলে চাটলুছ জল বিদ্যুৎ নিগমৰ গ্ৰীণ এনাৰ্জি লিমিটেডৰ সৈতে চুক্তিবদ্ধ হোৱা আজিৰ দিনটো এক উল্লেখযোগ্য দিন হিচাপে পৰিগণিত হৈ ৰ'ব। তেওঁ কয় যে এই চৰকাৰৰ উন্নয়নমুখী ব্যৱস্থাৱাজিয়ে বিনিয়োগৰ অনুকূল

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

পৰিৱেশৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। তেওঁ লগতে কয় যে ৰাজ্যৰ প্ৰয়োজনীয়তা জীৱাশ্ম ইন্ধনৰ পৰা সেউজ ইন্ধনলৈ পৰিৱৰ্তিত কৰাৰ উদ্দেশ্যেৰে ৰাজ্যৰ নৱীকৰণ যোগ্য শক্তিৰ বিকাশৰ এক পৰিৱেশ সূচনা কৰিবলৈ ৰাজ্যিক কেবিনেটে অসম নৱীকৰণ যোগ্য শক্তি নীতি ২০২২ ত অনুমোদন জনাইছে।

এই চুক্তিৰ অংশ হিচাপে এটা ভাষমান সৌৰ শক্তি প্ৰকল্প গঢ়ি তোলা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এবাৰ এই প্ৰকল্প আৰম্ভ হ'লে ৰাজ্যৰ জীবাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পাব। সেউজ শক্তি উৎপাদনৰ পৰিমাণ বৃদ্ধি পালে ৰাহি হোৱা শক্তি অন্য ৰাজ্যলৈও যোগান ধৰাৰ ক্ষেত্ৰত সহায়ক হৈ উঠাৰ লগতে কাৰ্বন নিৰ্গমনো হ্ৰাস পাব।

মুখ্যমন্ত্ৰীয়ে অসমৰ উদ্যোগ ক্ষেত্ৰখনৰ অংশীদাৰী উদ্যোগ গোষ্ঠীসমূহক শুভেচ্ছা জনোৱাৰ লগতে তেওঁলোকৰ সফলতা কামনা কৰে। তেওঁ লগতে আশ্বাস প্ৰদান কৰি কয় যে সময়মতে প্ৰকল্পসমূহ ৰূপায়ণ কৰাৰ দিশত ৰাজ্য চৰকাৰে সকলো ধৰণৰ সহযোগিতা আগবঢ়াব।

দক্ষতা, নিয়োগ, উদ্যমিতা আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অনুষ্ঠানত তেওঁৰ বিভাগে যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ বাবে এক পৰিৱেশ গঢ়ি তোলাৰ দিশত লোৱা পদক্ষেপ সমূহৰ বিষয়েও আলোকপাত কৰে। তেওঁ কয় যে মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্যৰ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ দিশত কাম কৰি অহা হৈছে যাতে অসমক দেশৰ এক উন্নত ৰাজ্য হিচাপে গঢ়ি তুলিব পৰা যায়।

ইয়াৰ পূৰ্বে চৰকাৰৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা সকলো ঔদ্যোগিক অংশীদাৰে ৰাজ্যখনত নিজ নিজ উদ্যোগৰ সফলতাৰ বাবে দায়বদ্ধতাৰে কাম কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। অনুষ্ঠানত শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচা, শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ/ পুঃডেঃ**
**১৭/১০/২০২২**